**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 26-05-2025 **Time :** 17-15 Hrs.

## Assamese Morning Bulletin

ৰাজ্যসভাৰ খালী হবলগীয়া আঠখন আসনৰ বাবে অহা ১৯ জুনত নিৰ্বাচন অনুষ্ঠিত হব। অহা ১৪ জুনত অসমৰ মিছন ৰঞ্জন দাস আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ কাৰ্যকাল অন্ত পৰাৰ লগতে অহা ২৪ জুলাইত তামিলনাডুৰ ছখন আসন খালী হব। ইয়াৰ পৰিপ্ৰেক্ষিতত দেশৰ নিৰ্বাচন আয়োগে ৰাজ্যসভাৰ খালী হবলগীয়া আঠখন আসনৰ বাবে নিৰ্বাচনৰ দিন ঘোষণা কৰে। সেই অনুসৰি অহা ২ জুনত অধিসূচনা জাৰি হব। প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ অন্তিম দিন ৯ জুন ধাৰ্য কৰা হৈছে। ১০ জুনত মনোনয়ন পৰীক্ষাৰ কৰা হব। নিৰ্বাচন আয়োগে প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ১২ জুন ধাৰ্য কৰিছে। উল্লেখযোগ্য যে ১৯ জুনৰ পুৱা ৯ বজাৰ পৰা ৪ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পাছত সেইদিনাই বিয়লি ৫ বজাত ভোটগণনা কৰা হব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত অসমৰ উদ্যোগ অনুকুল নীতি তথা ঔদ্যোগিক বিকাশত ৰাজ্য চৰকাৰৰ পদক্ষেপ সন্দৰ্ভত অসম ইলেক্ট্ৰনিক্স ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ছেমি কণ্ডাক্টৰ, ECMS আৰু ইলেক্ট্ৰনিক্স খণ্ডত অসমৰ দ্ৰুত উন্নয়ন সাধন কৰা সন্দৰ্ভত বিশিষ্ট উদ্যোগীসকলৰ সৈতে মত বিনিময় কৰে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে নতুন দিল্লীৰ ৰাজীৱ গান্ধী ভৱনত কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডু কিঞ্জাৰাপুৰ সৈতে ফলপ্ৰসূ বৈঠকত মিলিত হৈ উত্তৰ পূৰ্বাঞ্চলত বিমান সংযোগ আৰু আন্তঃগাঁথনি সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শিলচৰৰ গ্ৰীণফিল্ড বিমান বন্দৰৰ কাম চলিত বৰ্ষৰ পৰা আৰম্ভ হোৱাৰ উপৰি ৰূপশ্ৰী বিমান বন্দৰৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰে সাক্ষাতৰ কথা উল্লেখ কৰি কয়, যে যোৰহাট, ডিব্ৰুগড় আৰু শিলচৰত অতি শীঘ্ৰেই নতুন বিমান সংযোগেৰে ভাৰতৰ অন্যান্য চহৰলৈ যোৱাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি প্ৰথমবাৰৰ বাবে বিমানত যাত্ৰা কৰা ব্যক্তিৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে উড়ান আঁচনিৰ অধীনত বহনক্ষম আৰু সুলভ পদক্ষেপ গ্ৰহণ কৰা সন্দৰ্ভতো আলোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

00000000

কয়লা আৰু খনি দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবেই আজি বিশ্বনাথত জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত আৱৰ্ত ভৱনত অনুষ্ঠিত বৈঠকত ৰূপায়িত হৈ থকা আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰা হয়। জিলাখনৰ সৰ্বসাধাৰণৰ সৰ্বাংগীন উন্নয়নৰ বাবে আঁচনিসমূহৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ মন্ত্ৰী শ্ৰীডুবেই বিভাগীয় মুৰব্বীসকলক নিৰ্দেশ প্ৰদান কৰে। আঁচনিৰ সুবিধা জনতাই যাতে সঠিক ৰূপত লাভ কৰে সেই সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। বৈঠকত সাংসদ ৰঞ্জিত দত্তৰ লগতে বিশ্বনাথ জিলাৰ তিনিওগৰাকী বিধায়ক উপস্থিত থাকে।

00000

কামৰূপ জিলা প্ৰশাসন, বন বিভাগ আৰু স্থানীয় ৰাইজৰ সহযোগত দক্ষিণ কামৰূপৰ পলাশবাৰীৰ বিভিন্ন অঞ্চলত খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীৰ জাকক ৰাণী সংৰক্ষিত বনাঞ্চললৈ খেদি পঠিওৱা হৈছে। বিগত কিছুদিন ধৰি পলাশবাৰীৰ বিভিন্ন অঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই অহাৰ লগতে যোৱা ১৬ মে'ত বনৰীয়া হাতীৰ গচকত এজন লোক নিহত হয়। ইয়াৰ পাছতে কামৰূপ জিলা প্ৰশাসনে বৃহত্তৰ পলাশবাৰী অঞ্চলত ১৬৩ ধাৰা জাৰি কৰি জিলা প্ৰশাসনে বন বিভাগ আৰু ৰাইজৰ সহযোগত হাতী খেদিবলৈ সমৰ্থ হয়।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত সুখচৰৰ ভূটীয়াদোঙাত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণক বানকে ধৰি অন্যান্য দুৰ্যোগত আত্মৰক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰে। এই কাৰ্যসূচীত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়েও সহযোগ কৰে। জিলাখনত এন ডি আৰ এফ বাহিনীয়ে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দুৰ্যোগ ব্যৱস্থাপনা সন্দৰ্ভত সামূহিক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। কাইলৈ মালখোৱা আৰু পৰহিলৈ মালীৰ আলগা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

ooooo

বজালী জিলাৰ নিত্যানন্দত আজি অসম গৌৰৱ বঁটা প্ৰাপক ভাৰত চন্দ্ৰ কলিতাক সম্বৰ্দ্ধনা জনোৱা হয়। মধ্য বজালী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আয়োজিত সম্বৰ্দ্ধনা সভাত ভাৰত চন্দ্ৰ কলিতাক স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হয়। শিক্ষানুষ্ঠনখনৰ অধ্যক্ষ হেমন্ত কুমাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্দ্ধনা সভাত শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

0000000

বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ বাবে শাসক-বিৰোধী সকলো ৰাজনৈতিক দলেই নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। অহা ছেপ্তেম্বৰত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে কেবিনেট মন্ত্ৰী কৌশিক ৰায়ক চিৰাং জিলাৰ দায়িত্ব ন্যাস্ত কৰিছে। মন্ত্ৰীগৰাকীয়ে যোৱা দুদিনত জিলাখনৰ সাতটা পৰিষদীয় সমষ্টিত উপস্থিত হৈ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। এই সময়ছোৱাত তেওঁ দলীয় কৰ্মকৰ্তাৰ সৈতেও বিভিন্ন আলোচনাত মিলিত হয়। ইপিনে বাক্সা জিলাৰ বৰবৰীত কালি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ইউ পি পি এলৰ এখন কৰ্মীসভাত অংশগ্ৰহণ কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে বিটিচি পৰিষদীয় সমষ্টিত ৪০ খন আসনত প্ৰাৰ্থীত্ব দিয়াৰ কথা ঘোষণা কৰিছে। সভাত ভাষণ দি প্ৰমোদ বড়োৱে ইউ পি পি এলৰ শাসন কালত বি টি চিত শান্তি ঘূৰি অহা বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰী পুনৰ শাসনলৈ আহিলে বি টি চি পুনৰ অশান্ত হৈ পৰিব বুলি কয়।

ooooo

সমাপ্ত